**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 01-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***::::::::::::::::::::::::::::::::***

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ নেতৃত্বত আজি পাঞ্জাবাৰীস্থিত কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত গুজৰাট আৰু মহাৰাষ্ট্ৰৰ প্ৰতিষ্ঠা দিৱস উদযাপন কৰা হয়। প্ৰতিষ্ঠা দিৱস অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্য অতিথি হিচাপে উপস্থিত থকা ৰাজ্যপাল শ্ৰী আচাৰ্যই দুয়োখন ৰাজ্য গঠনৰ বাবে আগভাগ লোৱা লোকসকলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। দুয়োখন ৰাজ্যৰ সাংস্কৃতিক ঐতিহ্য, বুৰঞ্জী আৰু বৰ্তমানৰ প্ৰাপ্তিসমূহক লৈ তেওঁ প্ৰশংসা কৰে। তেওঁ কয়, যে গুজৰাট হৈছে মহামানৱ মহাত্মা গান্ধী আৰু ছৰ্দাৰ বল্লৱভাই পেটেলৰ জন্মভূমি। দুয়োগৰাকী নেতাই ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। একেদৰে মহাৰাষ্ট্ৰও ছত্ৰপতি শিৱাজী মহাৰাজ আৰু ড০ বি আৰ আম্বেদকাৰৰ পৱিত্ৰ জন্মভূমি। যদিও ভৌগোলিকভাৱে গুজৰাট আৰু মহাৰাষ্ট্ৰ অসমৰ পৰা বহু দূৰত অৱস্থিত তথাপি অসমৰ লগত দুয়োখন ৰাজ্যৰ আবেগিক আৰু সাংস্কৃতিক বান্ধোন অতি লক্ষ্যণীয়। ৰাজ্যৰ প্ৰতিষ্ঠা দিৱস উদযাপনে ৰাজ্যসমূহৰ মাজত একতাৰ মনোভাব বৃদ্ধি কৰাৰ লগতে দেশৰ প্ৰগতিতো প্ৰতিশ্ৰুতি আগবঢ়োৱাৰ কথা প্ৰকাশ কৰে।

oooooo

ভাষাৰ ওজা, হেমকোষ অভিধানৰ প্ৰণেতা হেমচন্দ্ৰ বৰুৱাৰ স্মৃতি দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। হেমচন্দ্ৰ বৰুৱাৰ ১২৯ সংখ্যক মৃত্যু দিৱসৰ লগত সংগতি ৰাখি আজি গুৱাহাটী বিশ্ববিদ্যালয়ত শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিশ্ববিদ্যালয়ৰ চৌহদত থকা হেমচন্দ্ৰ বৰুৱাৰ প্ৰতিমূৰ্তিস্থলীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ ননীগোপাল মহন্ত আৰু সাদিন প্ৰতিদিন গোষ্ঠীৰ অধ্যক্ষ জয়ন্ত বৰুৱাই বন্তি প্ৰজ্বলন কৰে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ে অনলাইন ট্ৰেডিঙক লৈ বিত্তীয় অনিয়মত লিপ্ত হোৱাৰ গোচৰত গ্ৰেপ্তাৰ হোৱা দুগৰাকী অভিযুক্ত বিশাল ফুকন আৰু তপন বৰা ওৰফে তাৰ্কিক বৰাৰ জামিন মঞ্জুৰ কৰিছে। ডিব্ৰুগড় জিলাৰ বৰবৰুৱা থানাত ৰুজু হোৱা গোচৰৰ ভিত্তিত আজি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ পাৰ্থিৱ জ্যোতি শইকীয়াৰ বিচাৰপীঠে অভিযুক্ত দুজনৰ জামিন মঞ্জুৰ কৰে। দুয়োগৰাকী অভিযুক্ত কাইলৈ কাৰাগাৰৰ পৰা মুকলি হোৱাৰ সম্ভাৱনা আছে। ইপিনে, অনলাইন ট্ৰেডিঙক লৈ হোৱা বিত্তীয় অনিয়মৰ আন এগৰাকী অভিযুক্ত চুমি বৰাক বৰবৰুৱা থানাত ৰুজু হোৱা গোচৰত এতিয়াও কাৰাৰুদ্ধ হৈ আছে।

ooooo

দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি দক্ষিণ শালমাৰা মানকাচৰ জিলাত ১০ মে'ত হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালত ১৪ জুনলৈ পিছুৱাই দিয়া হৈছে। জিলা আনি সেৱা প্ৰাধিকাৰীৰ সচিব জয়ন্ত কুমাৰ শইকীয়াই আজি এখন সংবাদ মেলত এই বিষয়ে প্ৰকাশ কৰে। লোক আদালতৰ বাবে জাননী লাভ কৰা গোচৰীয়া, পদকীয়া তথা অন্যান্য পক্ষসমূহক ১৪ জুনত হাটশিঙিমাৰীৰ ফেকামাৰীত হ'বলগীয়া লোক আদালতত উপস্থিত হ'বলৈ সচিবগৰাকীয়ে আহ্বান জনায়।

ooooo

চৰাইদেউ জিলাত কাইলৈ হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে আজি পুৱাৰে পৰা ভোটগ্ৰহণ প্ৰক্ৰিয়াত নিয়োজিত প'লিং বিষয়াসকলৰ মাজত নিৰ্বাচনী সামগ্ৰী বিতৰণ কৰা হয়। জিলাখনত মুঠ ৫১৪ গৰাকী মহিলা প'লিং বিষয়াই ১২৮ টা মহিলা ভোটগ্ৰহণ কেন্দ্ৰ পৰিচালনা কৰিব। এই বিষয়াসকলক উৎসাহ আৰু কৰ্মোদ্যম্যৰে তেওঁলোকৰ  দায়িত্ব সম্পাদন কৰাৰ ক্ষেত্ৰত প্ৰেৰণা যোগোৱাৰ লক্ষ্যৰে জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া ডাঃ নেহা যাদৱৰ উদ্যোগত নিৰ্বাচননী সামগ্ৰী বিতৰণৰ সময়ত প্ৰশংসা পত্ৰ আৰু প্ৰীতি উপহাৰ প্ৰদান কৰা হয়।

ooooo

অহা ৭ মে'ত বজালীত হ'বলগীয়া দ্বিতীয় পৰ্যায়ৰ পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলৰ মাজত নিৰ্বাচনী প্ৰচাৰ তীব্ৰতৰ হৈ পৰিছে। ৰাজনৈতিক দলৰ প্ৰাৰ্থীৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীসকলেও তীব্ৰগতিত প্ৰচাৰ অভিযান চলাইছে। ইপিনে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে মিত্ৰজোঁটৰ প্ৰাৰ্থী অৰবিন্দ বৰ্মন আৰু বিজেপিৰ প্ৰাৰ্থী অকন ডেকাৰ লগতে মামনি পাটগিৰীৰ সমৰ্থনত ভৱানীপুৰৰ দক্ষিণহাটীত অনুষ্ঠিত সভাত প্ৰচাৰ চলায়।

ooooo

বজালী জিলাৰ পাটাছাৰকুছি প্ৰেছ ক্লাবৰ অষ্টাদশ অধিবেশন আৰু ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি দিনজোৰা কাৰ্যসূচীৰে ক্লাবৰ কাৰ্যালয় প্ৰাংগনত অনুষ্ঠিত হয়। এই উপলক্ষে পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পন আৰু বন্তি প্ৰজ্বলন কৰা হয়। ইয়াৰ পাছতে সাধাৰণ সভা আৰু বিষয় বাছনি সভা অনুষ্ঠিত হয়। এই সভাত পৰৱৰ্ত্তী কাৰ্যকালৰ বাবে নৰকান্ত কলিতাক সভাপতি, কিশোৰ শৰ্মাক উপ-সভাপতি আৰু বিৰাজ কলিতাক সম্পাদক হিচাপে লৈ এখন কাৰ্যনিৰ্বাহক সমিতি গঠন কৰা হয়।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি জয়পুৰৰ ছৱাই মানসিং ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ান্‌ছে- ৰাজস্থান ৰয়েল্‌ছক জয়ৰ বাবে ২১৮ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে।

মুম্বাই ইণ্ডিয়ান্‌ছে প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ২ টা উইকেট হেৰুৱাই ২১৭ ৰাণ সংগ্ৰহ কৰে।

ooooo

ডিব্ৰুগড় জিলাৰ খালিহামাৰি জেইল ৰোড নিবাসী চলচ্চিত্ৰ অভিনেত্ৰী মফিদা শ্বাহৰ আজি পুৱা মৃত্যু হয়। হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হোৱা অভিনেত্ৰীগৰাকীয়ে ১৯৬৩ চনত মুক্তি লাভ কৰা অসমীয়া কথাছবি

তেজীমলাত অভিনয় কৰিছিল। ২০১৪ চনত তেওঁ প্ৰাগ চিনে এৱাৰ্ড লাভ কৰিছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৭৭ বছৰ।

ooooo

সমাপ্ত